# কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া
## (চমু পৰিচয়)

ডি.এইচ.এছ. কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)-ৰ বৰ্তমানৰ অধ্যক্ষ, মাজুলী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, দিছপুৰ মহাবিদ্যালয় আৰু ডিব্ৰু মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক, ফিল'বাৰী বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষক কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াৰ জন্ম হৈছিল ডিব্ৰুগড় মোহনবাৰীৰ সমীপৰ হাৰবাৰী গাঁৱত। তিনিচুকীয়া জিলাৰ ফিল'বাৰী পদুম পথাৰ গাঁৱত শৈশৱ, স্কুলীয়া জীৱন পাৰ কৰা ড° শইকীয়াই ফিল'বাৰী হাইস্কুল, ডুমডুমা মহাবিদ্যালয়ৰ পৰা বাণিজ্যৰ স্নাতক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা পৰ্যটন বিষয়ত পি.এইচ.ডি. লাভ কৰে। কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়া বৰ্তমান ডিব্ৰুগড় গান্ধীপথ, গান্ধীনগৰৰ বাসিন্দা, এগৰাকী নিয়মীয়া স্তম্ভ লেখক, সাহিত্যিক, কবি আৰু শিক্ষাসদী ব্যক্তি।

তদানিন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতেৰে কৰ্মসূৰ্য উপাধি লাভ কৰা অধ্যক্ষ ড° শইকীয়া অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা মনোনীত উচ্চস্তৰীয় শৈক্ষিক সমিতিৰ সদস্য, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ইউনেস্ক'ৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্টৰ লগতে মণ্ডল-১-ৰ সমন্বয়ক, অসম সাহিত্য সভাৰ শৈক্ষিক সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় জিলা প্ৰতিষ্ঠা দিৱসত উপায়ুক্ত বিশ্বজিৎ পেগুৰ দ্বাৰা উষ্ম সম্বৰ্ধিত, অসমৰ জনপ্ৰিয় টি ভি চেনেল আসাম লাইভ-২৪ ৰ দ্বাৰা সম্বৰ্ধিত, অৰুণাচল বিশ্ববিদ্যালয়ৰ তৰফৰ পৰা 'ভৱিষ্যতৰ স্বপ্নদ্ৰষ্টা' উপাধি, এম এন অ' পি এছৰ তৰফৰ পৰা 'সেউজ ৰত্ন' উপাধি, মাজুলীৰ জনপ্ৰিয় আলোচনী 'পলস'ৰ 'দীনবন্ধু' উপাধি, ডিব্ৰুগড় শ্বহীদ কুশল কোঁৱৰ স্মৃতি ৰক্ষা সমিতিৰ 'ডিবৰু হিতৈষী' সন্মান, সদৌ মাজুলী কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ তৰফৰ পৰা 'মাজুলী বন্ধু' অভিধাৰে বিভূষিত ড° শশীকান্ত শইকীয়া এগৰাকী বিশিষ্ট সমাজ সংগঠক, শিক্ষাবিদ, লেখক, সাহিত্যিক, কবি। হাচান শ্বৰিফ আহমদ সমন্বয় বঁটা, শ্ৰেষ্ঠ অধ্যক্ষৰ দক্ষতা বঁটা, গুৰুকুল সংগীত নৃত্য কলা কেন্দ্ৰৰ তৰফৰ পৰা 'জীৱনজোৰা সাধনা বঁটা-২০২৪', অসমৰ জনপ্ৰিয় ডিভাইন হেণ্ড ৱেলফেয়াৰ অৰগেনাইজেশ্যনৰ তৰফৰ পৰা 'অসম গৌৰৱ বঁটা, ডিব্ৰুগড় হিন্দু মিলন মন্দিৰৰ তৰফৰ পৰা 'পৰমানন্দ মানৱসেৱা ৰত্ন বঁটা', শ্ৰেষ্ঠ সাংবাদিকতাৰ বঁটা, সদৌ অসম সত্ৰ মহাসভাৰ তৰফৰ পৰা 'সাহিত্য পুষ্প' বঁটা, ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ তৰফৰ পৰা 'বীৰ চিলাৰায় বঁটা', সদৌ ভাৰত সাংবাদিক সন্থাৰ তৰফৰ পৰা শ্ৰেষ্ঠ প্ৰশাসনিক বঁটা, আলোক প্ৰভজন ৱেলফেয়াৰ ছ'চাইটিৰ তৰফৰ পৰা 'আসাম ৰাইজিং ইডুকেশ্যনেল ৰিৰ্ফৰমাৰ বঁটা, চৈয়দ আব্দুল মালিক মেম'ৰিয়েল বঁটাৰে সন্মানীত অধ্যক্ষ ড° শইকীয়াক মেঘালয়স্থিত বিজ্ঞান আৰু প্ৰযুক্তি বিশ্ববিদ্যালয়ে 'Academic Leadership Award-2022' প্ৰদান কৰাৰ লগতে নতুন দিল্লীৰ ড° আম্বেদকাৰ আন্তঃৰাষ্ট্ৰীয় ভৱনত ৪ জুন, ২০২৩-ত অনুষ্ঠিত হোৱা প্ৰাক্ বিশ্ব পৰিৱেশ দিৱসৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ এক গাম্ভীৰ্যপূৰ্ণ সভাত ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত সংগঠন 'ৱৰ্ল্ড হিউমেন ৰাইটছ প্ৰটেকশ্যন কমিশ্যনে' (বিশ্ব মানৱধিকাৰ সুৰক্ষা আয়োগ) 'এম্বেছেদৰ' ৰূপে প্ৰমাণ পত্ৰ প্ৰদান কৰে।

সমগ্ৰ পৃথিৱীত সিঁচৰিত হৈ থকা অসমীয়া মানুহখিনিক একত্ৰিকৰণ কৰিবলৈ গঠন হোৱা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগঠন 'স্নেহবন্ধন, অসম'ৰ (A Global Assamese Community) সাধাৰণ সম্পাদক, ঐতিহাসিক ডিব্ৰুগড় সাহিত্য সভাৰ দুটা কাৰ্যকালৰ সভাপতি, ভাৰতীয় ইতিহাস সন্মিলন ডিব্ৰুগড় জিলাৰ উপ-সভাপতি, ডিব্ৰুগড় ছেচ ক্লাবৰ প্ৰতিষ্ঠাপক সভাপতি, অসমৰ সাংস্কৃতিক অনুষ্ঠান 'বৰভেটি'ৰ উপ-সভাপতি, ডিব্ৰুগড় গ্ৰন্থাগাৰিক সংস্থাৰ প্ৰতিষ্ঠাপক সভাপতি, স্বেচ্ছাসেৱী সংগঠন 'বিয়িং ব্লিচ'ৰ প্ৰতিষ্ঠাপক সভাপতি, 'মানুহে মানুহৰ বাবে' নামৰ স্বেচ্ছাসেৱী সংগঠনৰ সক্ৰিয় সদস্য, শ্বহীদ কুশল কোঁৱৰ স্মৃতি সুৰক্ষা সমিতিৰ কাৰ্যকৰী সভাপতি, গ্ৰাম্য সাংবাদিক সংস্থা, অসমৰ উপদেষ্টা, অসম লেখিকা সমাজৰ উপদেষ্টা, সদৌ অসম সত্ৰ মহাসভা ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি, মহীয়সী সেউজী সাহিত্য মঞ্চৰ উপদেষ্টা, শিশু সাহিত্য অসমৰ পৰামৰ্শদাতাকে ধৰি বিভিন্ন সামাজিক কাম-কাজত জড়িত হৈ সমাজ সেৱাত ব্ৰতী হোৱাৰ বাবে অসমৰ ২০০ টাৰো অধিক বিভিন্ন দল-সংগঠনে ইতিমধ্যে শ্ৰদ্ধা আৰু সম্বৰ্ধনা জ্ঞাপন কৰিছে। অধ্যক্ষ ড° শইকীয়াই ডি এইচ এছ কানৈ মহাবিদ্যালয়ত স্বচ্ছতাৰ দিশত কৰা কৰ্মৰাজিৰ বাবে শিক্ষামন্ত্ৰী ড° ৰনোজ পেগুৰ দ্বাৰা উচ্চ প্ৰশংসা লাভ কৰিবলৈ সক্ষম হৈছে।

এগৰাকী পৰ্যটনৰ গৱেষক, ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰাক্তন কোষাধ্যক্ষ, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ প্ৰতিষ্ঠাপক উপ-সভাপতি, ডিব্ৰুগড় জিলা সাংবাদিক সন্থাৰ প্ৰাক্তন সম্পাদক, কলেজ শিক্ষক সংস্থাৰ ডিব্ৰুগড় মণ্ডলৰ প্ৰাক্তন সম্পাদক, ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষক গোটৰ প্ৰাক্তন সম্পাদক (তিনিবাৰকৈ), ডিব্ৰু মহাবিদ্যালয়ৰ এন চি চিৰ প্ৰাক্তন কমিশ্যন অফিচাৰ, অসমৰ নামঘৰ সমূহৰ একত্ৰীকৰণ সমিতিৰ প্ৰাক্তন সভাপতি, স্বচ্ছভাৰত মিছন (নমস্তে) ৰাজ্যৰ ব্ৰেণ্ড এম্বেচেদৰৰ দৰে গুৰু দায়িত্বও তেওঁ বহন কৰিছিল।

সৰুৰে পৰাই সাহিত্য, কবিতাৰ প্ৰতি আগ্ৰহী ড° শইকীয়াৰ প্ৰায় ৪০ খনৰো অধিক গ্ৰন্থ প্ৰকাশ পাইছে। 'মোৰ জীৱন, মোৰ সপোন, মোৰ কথা' আত্ম জীৱনীৰ (প্ৰথম খণ্ড), 'লকডাউন তোমাৰ নাম' (প্ৰথম) কাব্য গ্ৰন্থ। 'মোৰ কিয় খং উঠে', 'কেনেকৈ নিঃশেষ হয় এটা জাতি', 'সুখ আৰু সৌন্দৰ্য', 'বিন্দাছ অসমীয়া', 'সপোন খেদি ফুৰাৰ আনন্দ', 'এজন সুখী মানুহৰ সন্ধানত' আদি ড° শইকীয়াৰ উল্লেখযোগ্য গ্ৰন্থ। ড° শইকীয়াৰ অধিকাংশ লেখাই হ'ল জীৱনকেন্দ্ৰিক। জীৱনক ওচৰৰ পৰা জুমি চাব বিচৰা ড° শইকীয়াৰ জীৱনক কেন্দ্ৰ কৰি লিখা 'জীৱন বাঁহীৰ সুৰ'ৰ সপ্তম খণ্ড প্ৰকাশ পাইছে।